# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
::::::::::::::::::::::::::::::::

অসম চৰকাৰে ৰাজ্যখনৰ আঢ়ৈ কোটিৰো অধিক লোকৰ খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ ব্যৱস্থা কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে জনসংখ্যাৰ ৭০ শতাংশতকৈ অধিক লোকৰ পুষ্টিৰ দিশত গুৰুত্ব আৰোপ কৰি অভিযান অব্যাহত ৰাখিছে। চলিত বছৰৰ জানুৱাৰীত ৪২ লাখতকৈ অধিক হিতাধিকাৰী অন্তৰ্ভুক্তিৰে অসমত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ ৰ অধীনত নিৰ্ধাৰিত হিতাধিকাৰীৰ সংখ্যা ২ কোটি ৯১ লাখ ৮৯ হাজাৰৰো অধিক বুলি তেওঁ জানিবলৈ দিয়ে। এই হিতাধিকাৰীসকলৰ ৯৮ শতাংশই প্ৰতিমাহে চৰকাৰে যোগান ধৰা বিনামুলীয়া খাদ্য সামগ্ৰী সংগ্ৰহ কৰি আহিছে। বাকী ৰৈ যোৱা লোকসকলক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ আওতালৈ অনাৰ বাবে ১২৬ টা সমষ্টিত নতুন হিতাধিকাৰীৰ তালিকাভুক্ত কৰিবলৈ অভিযান আৰম্ভ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। নতুনকৈ তালিকাভুক্ত সকলো হিতাধিকাৰীক অগ্ৰাধিকাৰযুক্ত পৰিয়ালশ্ৰেণীত সংযোজন কৰা হব। অহা নৱেম্বৰ মাহত সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা কৰিছে বুলি তেওঁ উল্লেখ কৰে।

000

কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহত অহা পহিলা অক্টোবৰৰ পৰা পূৰ্বৰ সময় অনুসৰি পাঠদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। সৰ্বশিক্ষা অভিযানৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশযোগে এই বিষয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে প্ৰচণ্ড গ্ৰীষ্মপ্ৰবাহৰ বাবে কামৰূপ মহানগৰ জিলাৰ চৰকাৰী, প্ৰাদেশিকৃত আৰু ব্যক্তিগত বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰা দিনৰ চাৰে বাৰ বজালৈ কৰিবলৈ ইতিপূৰ্বে নিৰ্দেশ জাৰি কৰা হৈছিল। বতৰ অনুকুল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ প্ৰত্যাহাৰ কৰা হৈছে।

000

ৰাজ্যখনৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত দক্ষতা বিকাশ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাৰ বাবে উচ্চ শিক্ষা সঞ্চালকালয়ক লৈ এখন দক্ষতা শিক্ষা সমিতি গঠন কৰা হৈছে বুলি দক্ষতা বিকাশ আৰু উদ্যমশীলতা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই প্ৰকাশ কৰিছে। তেওঁ কয় যে, মহাবিদ্যালয়সমূহত পৰ্যটন বিষয়টো বৃত্তিমুখী বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। এই বিষয়টো নিয়মীয়াভাৱে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিবলৈ চিন্তা চৰ্চা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। বিভাগীয় মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰি ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ দ্বাৰা তেওঁলোকক স্বাৱলম্বি কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে বুলিও মন্তব্য কৰে।

000

স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা কাইলৈ অনুষ্ঠিত হব। মুঠ ৭ লাখ ৩৪ হাজাৰ ৮০ গৰাকী পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হবলগীয়া এই পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাজ্য চৰকাৰে এই পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লগতে

পৰীক্ষা প্ৰক্ৰিয়াত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যখনতে পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মোবাইল ইণ্টাৰনেট বা মোবাইল ডাটা সংযোগ ব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে।

উল্লেখযোগ্য যে কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত  হব। তৃতীয় বৰ্গৰ মুঠ ৪ হেজাৰ ৫৫ টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু  চালক পদৰ বাবে মুঠ ৮১৮ টা পদৰ পৰীক্ষাত ২ লাখ ৪ হেজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হব। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে যাৱতীয় নীতি নিৰ্দেশনা জাৰি কৰিছে।

এই সন্দৰ্ভত আয়োগে জাৰি কৰা জাননী অনুসৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ সময়ত আৰক্ষী বা কৰ্তৃত্বশীল ব্যক্তিৰ দ্বাৰা প্ৰাৰ্থীসকলক মেটেল ডিটেক্টৰৰ লগতে হাতেৰে স্বাভাৱিকভাৱে তালাচী চলোৱা হ'ব। এই ক্ষেত্ৰত কোনো প্ৰাৰ্থীক যদি তালাচী চলোৱাৰ সময়ত প্ৰাৰ্থীগৰাকী অসুবিধাৰ সন্মুখীন হয়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব। প্ৰৱেশপত্ৰ, বৈধ পৰিচয়পত্ৰ অবিহনে কোনো প্ৰাৰ্থীকে পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰা হৈছে। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰদান কৰা OMR ছীটখনত থকা ৰোল নম্বৰ উত্তৰ কৰাৰ পূৰ্বে সঠিকভাৱে পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলক কোৱা হৈছে।

ৰাজ্যৰ অন্যান্য জিলাসমূহতো এই পৰীক্ষাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পৰীক্ষাৰ সময়ছোৱাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ উপৰি সমগ্ৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।

০০০

গুৱাহাটীৰ পল্টন বজাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধীকৰণৰ ইন্দোৰ ষ্টেডিয়ামত চলি থকা আৰ ই চি ৰাষ্ট্ৰীয় প্ৰতিভা সন্ধানী বক্সিং প্ৰতিযোগিতাৰ জুনিয়ৰ শাখাত অসমৰ ৮ টা পদক নিশ্চিত হৈছে। প্ৰতিযোগিতাৰ জুনিয়ৰ ল'ৰাৰ ৪৪ কিলোগ্ৰাম শাখাত প্ৰশান্ত ৰাজবংশী আৰু দিপাংকৰ দাসে কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি কমেও ব্ৰঞ্জৰ পদক নিশ্চিত কৰিছে। ছোৱালীৰ জুনিয়ৰ ৪৪ কিলোগ্ৰাম শাখাত ৰংধা পাটগিৰি, ৪৬ কিলোগ্ৰামত বিতলি পেগু, ৫২ কিলোগ্ৰামত সুনেনা আখতাৰ আমিন আৰু সুমন দেৱী তথা ৫৪ কিলোগ্ৰামত হিনা লিম্বু আৰু ৫৭ কিলোগ্ৰামত বাবি বড়োই ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। নিশালৈ ল'ৰা আৰু ছোৱালীৰ ছাব জুনিয়ৰৰ কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব। অসমৰ ১২ গৰাকী বক্সাৰে পদক নিশ্চিত কৰাৰ বাবে বিভিন্ন শাখাত অৱতীৰ্ণ হ'ব। ৩০ চেপ্তেম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব। ইয়াৰ পূৰ্বে এলিট আৰু যুৱ শাখাৰ পুৰুষ-মহিলাৰ বিভিন্ন শিতানত অসমে ২ টা সোণকে ধৰি ১৬ টা পদক লাভ কৰিছে।

০০০

অসমৰ মহিলা চৌক বল দলটোৱে ৰাজস্থানৰ নাগৌৰত অনুষ্ঠিত পঞ্চদশ ৰাষ্ট্ৰীয় জ্যেষ্ঠ চৌক বল চেম্পিয়নশ্বিপত খিতাপ দখল কৰিবলৈ সমৰ্থ হৈছে। দলটোক আজি কোকৰাঝাৰ ৰে'লৱে ষ্টেচনত আদৰণি জনোৱা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ